# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2024
**Time :** 13-40 Hrs.

# Assamese Midday Bulletin
***HEADLINES***

১।	লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত হবলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে।

২।	দেশত ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

৩।	গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে অহা দুই-তিনি দিনলৈ বৃষ্টিপাত অব্যাহত থাকিব বুলি  প্ৰকাশ কৰিছে।

৪।	সাত্বিকসাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোয়ে থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ অৰ্জন কৰিছে। ***আৰু***

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চানৰাইজাৰ্ছ হায়দৰাবাদ - পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে ৰাজস্থান ৰয়েলছ-কোলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

ooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিত হবলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিসমূহৰ ভিতৰত উত্তৰ প্ৰদেশৰ ১৪ টা, মহাৰাষ্ট্ৰৰ ১৩টা, পশ্চিমবংগৰ ৭টা, বিহাৰ আৰু ওড়িশাৰ ৫ টাকৈ, ঝাৰখণ্ডৰ ৩টা আৰু জম্মু কাশ্মীৰ তথা লাডাখত এটাকৈ সমষ্টি আছে। এই পৰ্যায়ত মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হব। এই পৰ্যায়ত প্ৰতিদ্বন্দিতা  আগবঢ়োৱা আগশাৰীৰ প্ৰাৰ্থীসমূহৰ ভিতৰত বিজেপিৰ ৰাজনাথ সিং, স্মৃতি ইৰাণী, পিয়ুছ গোৱেল, কংগ্ৰেছৰ ৰাহুল গান্ধী, কে এল শৰ্মা, এন চিৰ ওমৰ আব্দুল্লা আৰু এল জে পি ৰামৱিলাসৰ চিৰাগ পাছোৱান অন্যতম।

ooo

দেশত ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ জামছেদপুৰত দলৰ প্ৰাৰ্থী বিদ্যুৎ বৰণ মাহাতোৰ হৈ  প্ৰচাৰ চলায়। তেওঁ কয় যে, এইবাৰৰ লোকসভা নিৰ্বাচনে দেশৰ বৰ্তমান আৰু ভৱিষ্যত শক্তিশালী কৰি তুলিব। তেওঁ কয় যে, দেশৰ উন্নয়নৰ বাবে ব্যৱসায়ীসকল অতিকৈ গুৰুত্বপূৰ্ণ। কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি শ্ৰীমোদীয়ে কয় যে, দলটোৱে ব্যৱসায়ী সম্প্ৰদায়ৰ দেশৰ শত্ৰু  বুলি গণ্য কৰে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ নাম নোলোৱাকৈ নেতাগৰাকীক কটাক্ষ কৰি শ্ৰীমোদীয়ে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰদলৰ দ্বাৰা শাসিত হিমাচল প্ৰদেশ আৰু তামিলনাডুৰ মুখ্যমন্ত্ৰীসকলক সাহস আছে যদি ব্যৱসায় আৰু বিনিয়োগৰাকীসকলৰ বিৰোধিতা কৰিবলৈ প্ৰত্যাহ্বান

জনায়। শ্ৰীমোদীয়ে লগতে দলকেইটাই ব্যৱসায়ী আৰু বিনিয়োগকাৰীসকলৰ বিৰোধিতা কৰিলে ৰাজ্যকেইখনৰ জনসাধাৰণে কেনেকৈ কৰ্মসংস্থাপন লাভ কৰিব বুলি প্ৰশ্ন উত্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে বৰ্তমানৰ নিৰ্বাচনত দেশত অৰ্থনীতি, যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগ, কৃষি, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক লৈ আলোচনা হব লাগে নে নেলাগে সেইটো জানিব বিচাৰে। তেওঁ কয় যে, কংগ্ৰেছ আৰু জে এম এম এনে বিষয়ক লৈ চিন্তিত নহয় কিয়নো দল দুটাই উন্নয়নৰ বিষয়ে একোৱেই নাজানে। কংগ্ৰেছ আৰু আই এন ডি আই মিত্ৰজোটে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সংৰক্ষণ প্ৰত্যাহাৰ কৰা হব বুলি বাৰে বাৰে উত্থাপন কৰাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁলোকে কিয় ইয়াতকৈ বেলেগ ভাবিব নোৱাৰে বুলি প্ৰশ্নৰ অৱতাৰণা কৰে। শ্ৰীমোদীয়ে লগতে ঝাৰখণ্ডত সংঘটিত ব্যাপক দুৰ্নীতিৰ বাবে ৰাজ্যখনত ক্ষমতাত থকা জে এম এম আৰু মিত্ৰদল কংগ্ৰেছক জগৰীয়া কৰে।

০০০

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে অহা দুই-তিনি দিনলৈ বৃষ্টিপাত অব্যাহত থাকিব বুলি  প্ৰকাশ কৰিছে। অঞ্চল বিশেষে ধুমুহা-বতাহৰ লগতে বিজুলী-ঢেৰেকণি আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে উত্তৰ-পূব অসম আৰু পাৰ্শ্বৱৰ্তী এলেকাৰ বায়ুমণ্ডলত ঘূৰ্ণীবতাহ বিৰাজমান হৈ থকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ প্ৰায়বোৰ অঞ্চলতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অব্যাহত থকাৰ লগতে কোনো কোনো অঞ্চলত বিজুলী-ঢেৰেকণিৰে প্ৰৱল বৃষ্টিপাত হোৱাৰ সম্ভাৱনা আছে।

ইপিনে ৰাজ্যজুৰি হোৱা বৰষুণৰ প্ৰভাৱত সৰ্বোচ্চ তাপমান হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যবাসীয়ে উৎকট গৰমৰ পৰা সকাহ পাইছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত সৰ্বোচ্চ তাপমাত্ৰা ৩১ ডিগ্ৰী আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৪ ডিগ্ৰীৰ আশে পাশে থকাৰ সম্ভাৱনা আছে।

০০০

আম আদমী পাৰ্টীৰ প্ৰতিবাদী সমদলৰ প্ৰতি লক্ষ্য ৰাখি বিজেপিৰ মুখ্য কাৰ্যালয়ৰ বাহিৰত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। দিল্লী আৰক্ষীয়ে প্ৰতিবাদৰ বাবে অনুমতি বিচৰা হোৱা নাই বুলি উল্লেখ কৰি ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে।

আম আদমী পাৰ্টীৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি দুপৰীয়া দলৰ মুখ্য কাৰ্যালয়ত এটা সমাবেশক সম্বোধন কৰি বিজেপিয়ে আম আদমী পাৰ্টীৰ নেতাসকলৰ বিৰুদ্ধে প্ৰতিশোধৰ ভাৱনাৰে কাম কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে অনাগত সময়ত আম আদমী পাৰ্টীৰ ডাঙৰ নেতাক গ্ৰেপ্তাৰ কৰা হব পাৰে আৰু দলৰ বেংক একাউণ্ট অকামিলা কৰা হব পাৰে বুলি আশংকা ব্যক্ত কৰে।

০০০

দিল্লীৰ এখন জিলা আদালতে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ঘনিষ্ঠ সহযোগী বিভৱ কুমাৰক ৫ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে। আম আদমী পাৰ্টীৰ ৰাজ্যসভাৰ সাংসদ স্বাতী মালিৱালক দুৰ্ব্যৱহাৰ কৰাৰ ঘটনা সংক্ৰান্তত শ্ৰীকুমাৰক গ্ৰেপ্তাৰ কৰাৰ পাছতেই তেওঁক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হয়। কালি নিশা বিভৱ কুমাৰক তিছ হাজাৰী আদালতত হাজিৰ কৰোৱা হয়। মেট্ৰ'পলিটান দণ্ডাধীশ গৌৰৱ গোৱেলে কুমাৰক সোধা-পোছাৰ বাবে ৫ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। আৰক্ষীৰ জিম্মাৰ ম্যাদ শেষ হোৱাৰ পাছত অহা ২৩ মে'ত তেওঁক পুনৰ আদালতত হাজিৰ কৰোৱা হ'ব।

উল্লেখযোগ্য যে, শ্ৰীমতী মালিৱালে যোৱা ১৩ মে'ত কেজৰিৱালৰ বাসগৃহত তেওঁক আতিশায্য চলোৱা বুলি অভিযোগ তুলি বিভৱ কুমাৰৰ বিৰুদ্ধ অভিযোগ দাখিল কৰিছিল। বিভৱ কুমাৰেও ঘটনাৰ দিনা মুখ্যমন্ত্ৰীৰ বাসগৃহত অবৈধভাৱে প্ৰৱেশ কৰাৰ অভিযোগ তুলি শ্ৰীমতী মালিৱালৰ বিৰুদ্ধে আন এটা অভিযোগ দাখিল কৰিছে।

০০০

অনুসূচীত জাতিৰ তালিকাত শিক্ষাৰ্থীৰ অন্তৰ্ভুক্তিকৰণ ২০১৪-১৫ বৰ্ষত ৪৬ লাখৰ পৰা ২০২১-২২ বৰ্ষত ৬৬ লাখলৈ মুঠ ৪৪ শতাংশ বৃদ্ধি পাইছে। পিছপৰা শ্ৰেণীৰ ৰাষ্ট্ৰীয় আয়োগৰ এক প্ৰতিবেদন অনুসৰি সংখ্যালঘু মহিলা শিক্ষাৰ্থীৰ অন্তৰ্ভুক্তিকৰণো ২০১৪-১৫ বৰ্ষত ১০ লাখৰ পৰা ২০২১-২২ বৰ্ষত ১৫ লাখলৈ মুঠ ৪২ শতাংশ বৃদ্ধি পাইছে। আনহাতে, মহিলা অনুসুচীত জাতিৰ অন্তৰ্ভুক্তিকৰণ ৫১ শতাংশ তথা অনুসূচীত জনজাতি শিক্ষাৰ্থীৰ অন্তৰ্ভুক্তিকৰণ ৬৫ দশমিক ২ শতাংশ বৃদ্ধি পাইছে। ২০২০-২১ শিক্ষাবৰ্ষত কেন্দ্ৰীয় বিদ্যালয়সমূহত অন্যান্য পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে ২৭ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে ৰাষ্ট্ৰীয় গুৰুত্বসম্পন্ন শিক্ষানুষ্ঠানসমূহত অন্যান্য পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ অন্তৰ্ভুক্তিকৰণ ৭১ শতাংশলৈ বৃদ্ধি পাইছে বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে।

০০০

সাত্বিকসাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীটোয়ে থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ অৰ্জন কৰিছে। সাত্বিকসাইৰাজ আৰু চিৰাগৰ যুটীটোৱে আজি ফাইনেলত চীনৰ চেন বো য়াং আৰু লিউ ইক ২১-১৫, ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰে। সাত্বিক আৰু চিৰাগৰ যুটীটোৱে ২০১৯ চনত এই প্ৰতিযোগিতাতে প্ৰথমটো চুপাৰ চিৰিজ খিতাপ লাভ কৰিছিল।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ আজি অন্তিম দিনা দুখন খেল অনুষ্ঠিত হব। হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তৰাষ্ট্ৰীয় ষ্টেডিয়ামত বিয়লি চাৰে তিনি বজাত হ'বলগীয়া প্ৰথমখন খেলত চানৰাইজাৰ্ছ হায়দৰাবাদ - পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, গুৱাহাটীৰ বৰ্ষাপাৰাত সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ-কোলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি  কোৱালিফায়াৰ ওৱানত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব।

ইপিনে, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই চুপাৰ কিংছক ২৭ ৰাণত পৰাস্ত কৰি প্লেঅফ পৰ্যায়ত প্ৰৱেশ কৰে।

০০০

গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত আজি হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ টি-২০ ক্ৰিকেট খেলখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ যাতায়তৰ সুবিধা হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসৰি আজি দিনৰ ৩ বজাৰ পৰা নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰী অংশত গধুৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। আজি গুৱাহাটীৰ আৰ্য নগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা পথটো দিনৰ ৩ বজাৰ পৰা ৱানৱে হৈ পৰিব।

লালগণেশ তিনিআলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হ'ব। বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেণপাৰা তিনিআলিলৈও পথছোৱা ৱানৱে হৈ পৰিব আৰু খেলৰ কাৰ পাছ থকা বাহনেহে চলাচলৰ অনুমতি পাব। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

০০০

ভাৰতৰ বিক্ৰান্ত মাল্লিকে পৰ্টুগালৰ লিছবনত অনুষ্ঠিত মিটিং সিডেড দি লিছবোৱা ২০২৪ এথলেটিকছ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰ'ত খিতাপ অৰ্জন কৰিছে। বিক্ৰান্তে নিজৰ তৃতীয় প্ৰয়াসত ৮০ দশমিক ৩-০ মিটাৰ দলিয়াই এই খিতাপ অৰ্জন কৰে। ২৮ বছৰীয়া মাল্লিকে প্ৰথম আৰু দ্বিতীয় প্ৰয়াসত ক্ৰমে ৭১ দশমিক ৭-৩ আৰু ৭৪ দশমিক ২-৩ মিটাৰ দলিয়াই নিজৰ শিতানত আধিপত্য বৰ্তাই ৰাখে। ইপিনে পুৰুষৰ শ্ব'টপুটত ভাৰতৰ ধনবীৰ সিঙে দ্বিতীয় স্থান দখল কৰে। পুৰুষৰ হেমাৰ থ্ৰ'ত ধনমিত সিঙে ৬৫ দশমিক ৯-৪ মিটাৰ দলিয়াই তৃতীয় স্থানত থাকে।

০০০

সমাপ্ত